# পঞ্চম অধ্যায়

# উপসংহাৰ

'নিৰ্বাচিত অসমীয়া শিশু উপন্যাস ঃ এক মনস্তাত্ত্বিক অধ্যয়ন' - এই বিষয় অৱতাৰণা কৰা গৱেষণা গ্ৰন্থখনৰ অধ্যায়সমূহত বিভিন্ন দিশ অধ্যয়ন কৰিবলৈ যাওঁতে বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। উপন্যাসৰ বিষয়বস্তু, চৰিত্ৰ আৰু পৰিৱেশকেন্দ্ৰিক দিশসমূহলৈ নতুনত্ব অহাটো স্বাভাৱিক। গতিকে প্ৰয়োজনীয় দিশৰ লগত শিশুৰ স্বাভাৱিক বিকাশৰ দিশটো লক্ষ্য ৰখা হৈছে। ইয়াত সাধাৰণতে শিশুৰ মনৰ স্বাভাৱিক বিকাশৰ দিশসমূহ প্ৰত্যক্ষ কৰা হৈছে।

গৱেষণা গ্ৰন্থখন সুশৃংখলিত ৰূপত অধ্যয়নৰ সহায়ক হোৱাকৈ কেইটামান অধ্যায় বিভাজন কৰি লোৱা হৈছে। গ্ৰন্থখনৰ আৰম্ভণিতে 'প্ৰস্তাৱনা' নামেৰে এটা অধ্যায় বিভাজন কৰা হৈছে। প্ৰস্তাৱনাত আলোচিত শিশু সাহিত্যৰ বিষয়বস্তুৰ সম্পৰ্কে আলোচনা কৰা হৈছে। সাহিত্য সুকুমাৰ কলাৰে অন্তৰ্গত শিশু সাহিত্যও অন্যতম। সাহিত্যৰ বুৰঞ্জীত বিশেষ স্থান লাভ নকৰা শিশু সাহিত্যৰ প্ৰাচীন ৰূপৰ পৰা ক্ৰমবিকশিত স্বৰূপ সম্পৰ্কে দাঙি ধৰিবলৈ যত্ন কৰা হৈছে। মানৱজীৱনৰ প্ৰথমছোৱা কালেই শিশুকাল। শিশু এটিৰ বিকশিত ৰূপেই ব্যক্তি। ব্যক্তিজীৱনৰ প্ৰাৰম্ভিক কালৰ মনগত বিকাশৰ লগত সংগতি ৰাখি শিশু সাহিত্য নিৰ্মিত হয়। দৰাচলতে শিশু সাহিত্য ৰচনা কৰাটো সহজ কাম নহয় তাক সকলোৱে স্বীকাৰ কৰে। কিন্তু মানৱ জীৱনৰ মহত্বপূৰ্ণ সময়ছোৱাৰ বিকাশৰ সাধনা কৰাটো উচিত। এনে সাধনা সাধাৰণতে জ্যেষ্ঠজনেই কৰে। 'শিশু সাহিত্য' বুলিলেও আমাৰ আলোচনাতো শিশুৱে ৰচনা কৰা সাহিত্যক বুজোৱা নাই। শিশুৰ মনৰ লগত জড়িত দিশসমূহৰ বিশ্লেষণ কৰিবলৈ গৈ বিভিন্ন জন সমালোচক, মনস্তত্ত্ববিদৰ চিন্তাচৰ্চাৰ আধাৰত শিশু সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰা হৈছে। বিষয়বস্তু অধ্যয়নৰ প্ৰয়োজনীয়তা, অধ্যয়নৰ পৰিসৰ, বিষয়বস্তু নিৰ্বাচনৰ কাৰণ, অধ্যয়নৰ পদ্ধতি, তথ্য সংগ্ৰহৰ ক্ষেত্ৰ, পূৰ্বকৃত অধ্যয়নৰ এটি চমু আভাস দাঙি ধৰা হৈছে।

প্ৰথম অধ্যায়ত ভাৰতীয় সমাজ সংস্কৃতিৰ পটভূমিত অসমীয়া শিশু সাহিত্যৰ উদ্ভৱ আৰু

ক্ৰমবিকাশৰ বিষয়ে এটি অধ্যয়নৰ প্ৰচেষ্টা কৰা হৈছে। এই অধ্যায়ত শিশু সাহিত্য, শিশুৰ সংজ্ঞা, প্ৰাচীন সাহিত্যত শিশু, শিশু সাহিত্যৰ গুৰুত্ব, অসমীয়া শিশু সাহিত্যত ক্ৰমবিকাশৰ ৰূপৰেখা আৰু আধুনিক যুগৰ শিশু সাহিত্য আৰু শিশু উপন্যাস আদি উপভাগত ভাগ কৰি আলোচনা কৰা হৈছে। অসমীয়া সাহিত্যত শিশু সাহিত্যৰ উপযোগী সাহিত্য সৃষ্টি সম্পৰ্কে, শিশুমনৰ উপযোগী সাহিত্যই কেনেকৈ নৈতিক শিক্ষাৰ প্ৰসংগৰ উপৰি জ্ঞান-বিজ্ঞান, মহানজনৰ আদৰ্শৰ অনুকৰণ কৰি জীৱনত কেনেকৈ প্ৰয়োগ কৰিব পাৰে আৰু কেনেকৈ নৈতিকতাৰ উত্তৰণ ঘটে আদি কথাৰ মাজত শিশু সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰা হৈছে। এই অধ্যায়ত মত প্ৰকাশ কৰা হৈছে যে সময়োপযোগী সাহিত্য সৃষ্টিৰ মাজেৰে শিশুসকলক মানসিক ভাৱে আগবঢ়াই নিবলৈ এক নিৰলস প্ৰচেষ্টা শিশু সাহিত্যত থকাটো বাঞ্ছনীয়।

দ্বিতীয় অধ্যায়ত অসমীয়া শিশু উপন্যাস আৰু শিশু মনস্তত্ত্বৰ সম্পৰ্কে আলোচনা কৰা হৈছে। শিশু মনস্তত্ত্বৰ সম্পৰ্কে বিভিন্নজন মনোবিদৰ মতৰ আধাৰত ধাৰণা কৰা হ'ল যে মন সম্পৰ্কীয় বিজ্ঞানসন্মত অধ্যয়নেই মনোবিজ্ঞান বা মনস্তত্ত্ব। এই ধাৰণা সৰ্বজন স্বীকৃত। শিশু মনোবিজ্ঞানৰ জৰিয়তে শিশু মনৰ অভিজ্ঞতাক অধ্যয়নৰ চেষ্টা কৰা হয়। শিশু মনৰ জ্ঞান-ধাৰণা, বুদ্ধি-বৃত্তি, স্মৃতি-কল্পনা, শিক্ষণ ক্ষমতা, সমস্যা সমাধান ক্ষমতা আদিৰ বাস্তৱ আৰু নিৰ্ভৰযোগ্য অধ্যয়নেই শিশু মনস্তত্ত্ব। আমাৰ আলোচনাত বিশেষভাৱে নিৰ্বাচিত বিশিষ্ট সাহিত্যিক (কিন্তু শিশু সাহিত্যিক নহয়)ৰ নিৰ্বাচিত উপন্যাসৰ আধাৰত শিশু মনস্তত্ত্বৰ উপাদানসমূহ বিশ্লেষণ কৰা হৈছে। এনেবোৰ মানসিক শক্তি উপাদানেৰে গঠিত শিশুমন সেয়েহে বয়সস্থসকলৰ বাবে এক আকৰ্ষণীয় আৰু অধ্যয়নৰ বিষয়ৰূপে ধৰা দিয়ে।

শিশুমন আৰু তাৰ মানসিক বিকাশৰ এক স্বকীয় বৈশিষ্ট্য আছে। সেই অনুসৰি শিশু মনস্তত্ত্বৰ গুৰুত্ব আৰু শিশু বিকাশৰ স্তৰসমূহৰ সম্পৰ্কে আলোচনালৈ অনা হৈছে। অধ্যয়নৰ বিষয়ৰ পৰিসৰলৈ লক্ষ্য ৰাখি বিশেষকৈ উপন্যাসত বৰ্ণিত চৰিত্ৰৰ বয়স, চৰিত্ৰৰ মুখৰ ভাষা বা সংলাপ আদিৰ মাজেৰে ছয় বছৰৰ পৰা বাৰ বছৰ বয়সৰ শিশুৰ মানসিক বিকাশৰ স্তৰৰ আলোচনাই গুৰুত্ব লাভ কৰিছে।

যিহেতু উপন্যাস কেইখনো এই বয়সৰ শিশুৰ উপযোগীকৈ লিখা। সাহিত্যিক দৃষ্টিকোণৰ পৰা শিশুৰ মন আৰু তাৰ মানসিক বিকাশত প্ৰভাৱিত কৰা বিভিন্ন পৰিস্থিতি, বিভিন্ন পৰিস্থিতিৰ প্ৰতি অনুভৱ কৰা সুখ-দুখৰ আৱেগৰ অভিজ্ঞতাই শিশুৰ ব্যক্তিত্ব সুস্থ-অসুস্থ ৰূপত গঢ় দিয়ে। আৱেগৰ সুস্থ বিকাশেই শিশু মনৰ মানসিক স্বাস্থ্যৰ সুদৃঢ় ভেটি স্থাপন কৰে। সেয়েহে শিশু জীৱনৰ গুৰুত্বপূৰ্ণ আৱেগ অনুভূতিসমূহৰ অধ্যয়নে শিশু মনোবিজ্ঞানৰ এক সম্ভাৱনীয়তাপূৰ্ণ অধ্যয়নৰ দিশ সৃষ্টি কৰিছে। শিশুৰ মানসিক বিকাশৰ সহায়ক হোৱা চিন্তাদৰ্শক আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়ত নিৰ্বাচিত ঔপন্যাসিক নৱকান্ত বৰুৱাৰ *শিয়ালী পালেগৈ ৰতনপুৰ, ভতুকাৰে ভু*; চৈয়দ আব্দুল মালিকৰ *এখন সোণালী দুৱাৰ* (১৯৭৯); হোমেন বৰগোহাঞিৰ *সাউদৰ পুতেকে নাও মেলি যায়* (১৯৮৭); শান্তনু তামূলীৰ *মানী-বাণী আৰু এখন ফুলনি* (১৯৯৩); বন্দিতা ফুকনৰ *বান আহিছিল* (১৯৯১), *গৰমৰ বন্ধত সোণটি* (২০০১) উপন্যাসৰ আধাৰত শিশু মনস্তত্ত্ব বিশ্লেষণ কৰা হৈছে। মানৱ জীৱনৰ শৈশৱকালৰ বিষয়ে মনস্তত্ত্ববিদসকলে আগবঢ়োৱা মতামত পৰ্যবেক্ষণৰ ভিত্তিত জন্মৰ পৰা বাৰ বছৰ বয়সলৈকে শৈশৱকালৰ তিনিটা পৰ্যায় পোৱা গ'ল। বিশেষকৈ মনস্তত্ত্বৰ সংজ্ঞানাত্মক বিকাশ তত্ত্বৰ আধাৰত শিশুৰ মানসিক বিকাশৰ ধাৰণাসমূহ নিৰ্বাচিত উপন্যাসকেইখনৰ শিশু চৰিত্ৰ আৰু চৰিত্ৰসমূহৰ মানসিক অৱস্থাৰ চিত্ৰণত দেখা পোৱা গ'ল।

নৱকান্ত বৰুৱাৰ শিশু উপন্যাসত নীতি কথাৰ পাঠ, সৌন্দৰ্যবোধৰ প্ৰচেষ্টা, প্ৰকৃতিৰ বিচিত্ৰতা, সাহিত্য জ্ঞানৰ প্ৰতি অনুৰাগ, বুদ্ধিমত্তা, অবান্তৰ কল্পনা, যুক্তি-অযুক্তিৰ দ্বন্দ্ব, কল্পনা আৰু বাস্তৱৰ মাজত থকা পাৰ্থক্য আদি শিশু মনস্তাত্ত্বিক বৈশিষ্ট্য ৰাশি ফুটি ওলাইছে। আটাইকেইখন উপন্যাসতে প্ৰতিজন শিশুৰ মন সুস্থ আৰু সৎ কৰি তুলিবলৈ তেওঁলোকৰ জৰিয়তে ভৱিষ্যত উজ্জ্বল সমাজ এখন গঢ়িবলৈ ঔপন্যাসিকসকল বদ্ধপৰিপক্ক আছিল। সেয়ে এনে শিশু সাহিত্য ৰচনাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল।

গৱেষণা গ্ৰন্থখনৰ চতুৰ্থ অধ্যায়ত নিৰ্বাচিত উপন্যাস কেইখনৰ শিল্প সৌন্দৰ্যৰ মাজেৰে শিশুমনৰ

কল্পনা প্ৰকাশ বাস্তৱ জগতৰ লগত কল্পনাৰ মিশ্ৰণ, কাব্যিক অনুভূতিৰ মাজেৰে শিশুমনৰ প্ৰকাশ, ৰস সৃষ্টিৰ প্ৰক্ৰিয়া, বাণীভংগীত শিশুমনৰ স্বাভাৱিকতা আদি দিশসমূহৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

বাস্তৱৰ পৰিস্থিতিৰ লগত অধিক পৰিচিত হৈ অহাৰ লগে লগে শিশুৰ চিন্তা বাস্তৱমুখী হ'বলৈ আৰম্ভ কৰে। এনে পৰ্যায়ৰ শিশু চৰিত্ৰৰূপে সোণটি, বাপুকণ, মানী-বাণী, কন্দৰ্প, কণল'ৰা, আজিজ আদি চৰিত্ৰৰ কাৰ্যপ্ৰণালী বিশ্লেষণ কৰা হৈছে। চৰিত্ৰবোৰৰ মনত পৰ্যবেক্ষণ ক্ষমতা, আত্মসন্মানবোধ, উপস্থিত বুদ্ধিমত্তা, বৌদ্ধিক উৎকৰ্ষ সাধনাৰ চিন্তা, যুক্তিমূলক চিন্তা, মৰমৰ অনুশাসন, শিশুমনৰ অনুভৱ, অনুশোচনা আদি মানসিক লক্ষণসমূহ দেখা পোৱা গ'ল।

নিৰ্বাচিত উপন্যাসকেইখনৰ কাহিনীৰে বান্ধি ৰখা চৰিত্ৰসমূহৰ মানসিকতালৈ লক্ষ্য ৰাখি শিশুৰ মানসিক গুণৰ ওপৰত ভিত্তি কৰি এনেদৰে ভাগ কৰিব পাৰি —

(ক) কল্পনাপ্ৰৱণ শিশুমন

(খ) বাস্তৱবাদী ভাৱৰ শিশুমন

(গ) বৌদ্ধিক চিন্তাৰ শিশুমন আৰু

(ঘ) নন্দনতাত্ত্বিক শিশুমন

এই চাৰিপ্ৰকাৰৰ মানসিক গুণ এটি চৰিত্ৰতে থাকিবও পাৰে নাথাকিবও পাৰে। এই গুণৰাজিৰ প্ৰকাশ ঘটিবৰ বাবে লাগে এক সুস্থিৰ পৰিৱেশ। প্ৰতিগৰাকী ব্যক্তিৰ মানসিক প্ৰৱণতা কেতিয়াও একে হ'ব নোৱাৰে। জন লকৰ মতে, জন্মৰ সময়ত শিশুসকলৰ মনটো একোখন উকা কাগজৰ দৰে। য'ত একো লিখা নাথাকে। কিন্তু এনে এক প্ৰাকৃতিক প্ৰৱণতা থাকে, যিয়ে সিহঁতৰ ব্যক্তিত্ব, ভাল লগা, বেয়া লগা আদিক প্ৰভাৱিত কৰিব পাৰে। এই চাৰিটা গুণবিশিষ্ট চৰিত্ৰ উপন্যাসসমূহত পোৱা গ'ল।

নিৰ্বাচিত উপন্যাসকেইখনৰ বিষয়ভিত্তিক অধ্যয়নত দেখা পোৱা গ'ল যে শিশুমনৰ উপযোগীকৈ ৰচনা কৰা একো একোটা নিটোল কাহিনীৰে একোখন সফল শিশু উপন্যাস। বিশেষ

মূল্যবোধতকৈ শিশুক পৰিপক্ক কৰি তুলিবলৈ, জীৱনৰ সুক্ষ্ম পৰিঘটনাবোৰৰ প্ৰতি সংবেদনশীল কৰি তুলিবলৈ, নিজকে বিচাৰি চোৱা প্ৰয়াস কৰি একো একোটা কাহিনীৰে শিশু মানসিকতাক সন্মান প্ৰদান কৰিছে।

আলোচিত উপন্যাসকেইখনৰ কাহিনী কাল্পনিক হ'লেও আমাৰ সমাজ জীৱনৰ পৰা বুটলি লোৱা একো একোটা সামাজিক ঘটনা। শিশুৰ গ্ৰহণযোগ্য ধাৰণা, মনোৰঞ্জনধৰ্মী, পৰিৱেশ, দেশ-বিদেশৰ বা-বতৰা, ইতিহাস, ভৌগোলিক জ্ঞান, বিজ্ঞান আদিৰে তথ্য সমৃদ্ধ। পৰিৱেশন ৰীতি আকৰ্ষণীয়। কাহিনী আৰু ঘটনাৰাজি শিশুমনৰ উপযোগী।

শিশু মনৰ সহজ-সৰল আৰু অকৃত্ৰিম স্বভাৱৰ কথা মনত ৰাখি ইয়াৰ লগত জড়িত কথাবোৰ এক সৰলীকৃত ভাৱেৰে চোৱা হয়। বিশেষকৈ তত্ত্বৰ কথা আলোচনাৰ প্ৰসংগত ভাষা আৰু কথনশৈলী, পৰিৱেশ সৃষ্টি, নীতিগত আদৰ্শ সৃষ্টি আদিও উপন্যাস কেইখনত বিচাৰি পোৱা গ'ল। ঔপন্যাসিকে কোনো সমস্যা বা ঘটনাৰ সমাধান দিব নোৱাৰে। এই সম্পৰ্কে কৰবী ডেকা হাজৰিকাৰ এষাৰ কথা উল্লেখ্য যে — সমস্যা সমাধানৰ পথ নিৰ্দেশ কৰাটো সংস্কাৰকৰ কাম, ঔপন্যাসিকৰ নহয়। ঔপন্যাসিকৰ কাম হ'ল চিন্তা আৰু আনন্দৰ সমল দিয়াটো।[১]

বয়স অনুসৰি শিশুৰ মুখৰ ভাষা-শৈলী ব্যৱহাৰ কৰিছে। এইবোৰত বাক্যৰ গঠন সহজ-সৰল। শিশুমনৰ লগত ৰজিতাখুৱাই সৃষ্টি কৰা বাক্যৰূপ দেখা পোৱা গৈছে। কাহিনীৰ দৃশ্যায়ন কৰিব পৰাকৈ উজু ভাৱৰ বাহক চিত্ৰায়ণ হোৱা দেখা গৈছে। উপন্যাস কেইখনত বিশেষকৈ *শিয়ালী পালেগৈ ৰতনপুৰ, ভতুকাৰে ভু, গৰমৰ বন্ধত সোণটি, মানী বাণী আৰু এখন ফুলনি* উপন্যাসৰ চিত্ৰায়নে শিশুৰ বাবে কাহিনী বুজিবলৈ সহজ কৰাৰ লগতে শিশুসকলৰ কল্পনাকো অধিক জাগ্ৰত কৰি তুলিব পাৰিব। চিত্ৰ শিশুৰ বাবে স্বাভাৱিক আকৰ্ষণৰো কাৰক। ভাষা আৰু ছবিয়ে শিশুৰ মনত অনুভূতি দিয়ে আৰু কল্পনাক প্ৰাণময় কৰি তোলে। মূলতঃ মাতৃভাষাই হৈছে শিশুৰ বাবে উৎকৃষ্ট

---

১. চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পা.) ঃ *গৰীয়সী*, ডিচেম্বৰ, ১৯৯৮, ড° কৰবী ডেকা হাজৰিকা, *পিতাপুত্ৰ*, পৃ. ৪৬

ভাষা, কিন্তু জটিল শব্দ ভাবঘন ভাষা ব্যৱহাৰ নকৰি সহজ-সৰল ভাষাৰূপ ব্যৱহাৰ কৰা দেখা পোৱা গৈছে।

গৱেষণা গ্ৰন্থখনৰ চতুৰ্থ অধ্যায়ত নিৰ্বাচিত উপন্যাস কেইখনৰ শিল্প সৌন্দৰ্যৰ মাজেৰে শিশুমনৰ কল্পনা আৰু বাস্তৱৰ সংযোগ, কাব্যগুণৰ মাজেৰে শিশুমনৰ অভিব্যক্তি, শিশুমনৰ উপযোগী ৰস সৃষ্টি, শিশুমনৰ উপযোগী বাণীভংগীৰ মাজেৰে শিশুমনঃ সমীক্ষণৰ প্ৰচেষ্টা কৰা হৈছে। কম-বেছি পৰিমাণে শিশুমনৰ উপযোগীকৈ ৰচনা কৰা উপন্যাসকেইখনৰ মাজত শিশু ব্যক্তিত্ব ফুটি উঠাত দুটা কথা স্পষ্ট হ'ল যে - সৃষ্টিশীল ৰচনাতো শিশু মানসিকতা প্ৰতিফলন ঘটে। দ্বিতীয়তে, শিশু সাহিত্য হ'লেও সৃষ্টিশীল ৰচনাই ব্যক্তিৰ মানসিক দিশৰ প্ৰায়োগিক দিশটোৰ (শিশুমন এটা লৈহে নিৰ্মাণ কৰে) স্বাক্ষৰ বহন কৰে। সেয়ে সৃষ্টিশীল ৰচনাত (উপন্যাসত) মনস্তাত্বিক দিশৰ প্ৰয়োগ সম্পৰ্কে অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তাক স্পষ্ট কৰিলে।

সৃষ্টিশীল সাহিত্য হিচাপে শিশু উপন্যাস শিল্পই শিশুৰ মনত জীৱ-জন্তুৰ প্ৰতি থকা মৰম, পৰিৱেশৰ প্ৰতি সচেতনতা, বৈজ্ঞানিক মানসিকতা, কল্পনা আৰু শিশুমনৰ স্বাভাৱিকতা, সামাজিক পাৰস্পৰিক সহযোগিতা, বন্ধুত্ব, মানৱীয় প্ৰমূল্যবোধৰ উপলব্ধি কৰোৱা অনেক তথ্য পোৱা গ'ল।

শেষত শিশু মনোবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা শিশু উপন্যাস সাহিত্যৰ মাজত প্ৰকাশিত দৈহিক, মানসিক, আৱেগিক, সামাজিক আৰু নৈতিক আদি বিভিন্ন দিশৰ অধ্যয়নে শিশুৰ বিকাশত ধনাত্মক প্ৰভাৱ পেলাইছে তাকো প্ৰতীয়মান হ'ল।

নিৰ্বাচিত শিশু উপন্যাসত শিশু মনস্তত্ত্ব শীৰ্ষক গৱেষণা কৰ্মত তলত দিয়া সিদ্ধান্তসমূহত উপনীত হ'ব পৰা গ'ল —

১) আলোচিত অসমীয়া শিশু উপন্যাসত শিশু মনস্তত্ত্ব শীৰ্ষক অধ্যয়নত সংখ্যাত তাকৰ হ'লেও অসমীয়া শিশু সাহিত্যত সফল শিশু উপন্যাসৰ সৃষ্টি হৈছে।

২)	অসমীয়া শিশু উপন্যাসত প্ৰতিফলিত শিশু মনস্তত্ত্বৰ দিশসমূহ মানসিক, আৱেগিক, নৈতিক, বৌদ্ধিক, সামাজিক বিকাশৰ ফলসমূহ পোৱা গ'ল।

৩)	কেৱল শিশুৰ বাবেই নহয়, এই উপন্যাসসমূহত প্ৰাপ্তবয়স্কসকলৰ কাৰণেও চিন্তা আৰু আনন্দৰ খোৰাক পোৱা গৈছে।

৪)	উপন্যাসসমূহৰ মাজত শিশু মনস্তত্ত্বৰ সাৰ্বজনীন ৰূপ প্ৰকাশ হোৱা দেখা গৈছে। তুলনামূলক দৃষ্টিভংগীৰে আলোচনা কৰিলে বিশ্বৰ সকলো শিশুৰ মন যে একেই সেই কথা আলোচ্য উপন্যাসসমূহে প্ৰমাণ কৰে।

৫)	মনস্তত্ত্ববিদসকলে পৰ্যবেক্ষণৰ ভিত্তিত ভাগ কৰা শৈশৱকালৰ তিনিটা স্তৰৰ ভিতৰত আমাৰ অধ্যয়নত প্ৰয়োজনীয় দুটা স্তৰৰ (শৈশৱ আৰু বাল্যকাল) প্ৰয়োগিক দিশসমূহ বিশ্লেষণত দেখা পোৱা গ'ল।

অনুকৰণশীলতাৰ পৰ্যায়ত শিশুৰ কল্পনা বিকাশ হোৱা, প্ৰৱল কৌতূহল, হাঁহি-কান্দোন, খং-ক্ষোভ, উৎসুক্য, অনুসন্ধিৎসু মন উপন্যাসকেইখনৰ শিশু চৰিত্ৰৰ মাজত ফুটি উঠিছে।

(৬)	শৈশৱকালছোৱাত শিশুৰ কোমল মনত সমগ্ৰ বিশ্বখনেই বিভিন্ন আৱেগ-অনুভূতি, চিন্তা-চেতনা, অনুসন্ধিৎসুৰ আকৰ হৈ পৰে। ভালপোৱা, ভয়, খং, ঈৰ্ষা, শত্ৰুতা, অনুসন্ধিৎসা, দলীয়ভাৱ, নৈতিক ধাৰণা, সামাজিক চেতনা, যুক্তিযুক্ততা, সৃষ্টিশীল নিপুণতা, ক্ৰীড়াশীলতা, বৰ্হিমুখী দৃষ্টিভংগী আদি শৈশৱকালৰ বিশেষত্বসমূহ যেনে - *শিয়ালী পালেগৈ ৰতনপুৰ*ৰ জোন, *মানী-বাণী আৰু এখন ফুলনি*ৰ মানী-বাণী, *সাউদৰ পুতেকে নাও মেলি যায়*ৰ বাপুকণ, *গৰমৰ বন্ধত সোণটি*ৰ সোণটি, *এখন সোণালী দুৱাৰ*ৰ কন্দৰ্পহঁতৰ মনৰ মাজত পৰ্যবেক্ষণ ক্ষমতা, আত্মসন্মানবোধ, বুদ্ধিমত্তা, অনুশোচনা, মৰমৰ জোৰত পৰি কৰা অনুশোচনা আদি উপন্যাস কেইখনত কম-বেছি পৰিমাণে দেখা পোৱা গ'ল।

(৭) শিশু সাহিত্যৰ তত্ত্বসমূহৰ প্ৰয়োগ উপন্যাসসমূহত বিচাৰি পোৱা গ'ল। নিৰ্বাচিত শিশু উপন্যাসৰ শিতানত শিশু সাহিত্যৰ তাত্ত্বিক প্ৰয়োগত কম-বেছি পৰিমাণে সফল বুলি ক'ব পাৰি।

**ভৱিষ্যত অধ্যয়নৰ পথ নিৰ্দেশনা ঃ**

১) শিশু উপন্যাসৰ আধাৰত ভাষিক বিশ্লেষণ কৰাৰ থল আছে।

২) অনুবাদমূলক উপন্যাস সাহিত্যৰ সম্পৰ্কে আলোচনা কৰাৰ যথেষ্ট সম্ভাৱনা আছে।

৩) তুলনামূলক দৃষ্টিভংগীৰে অসমীয়া শিশু সাহিত্যৰ লগত প্ৰাদেশিক ভাষাৰ শিশু সাহিত্য অধ্যয়নৰ সম্ভাৱনা আছে।

৪) মহৎলোকৰ জীৱনীৰ আধাৰিত শিশু সাহিত্য আৰু মূল্যবোধ সম্পৰ্কীয় দিশত আলোচনা কৰাৰ যথেষ্ট থল আছে।

৫) শিশু উপন্যাসত সাংস্কৃতিক সমলৰ বিষয়েও গৱেষণা কৰিব পাৰি।